ULB

# Assamese Unlocked Literal Bible

## পিতৰৰ প্ৰথম পত্ৰ

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ


**১ পিত** **5**

‘পিতৰৰ প্ৰথম পত্ৰ’ৰ পাতনি 5

5

Chapter 1 5

১ অধ্যায় 2 6

২ অধ্যায় 3 8

৩ অধ্যায় 4 9

৪ অধ্যায় 5 10

**অবদানকাৰী** **11**

Assamese Unlocked Literal Bible অবদানকাৰী 11

Tischendorf Greek New Testament 8th edition অবদানকাৰী 11

# ১ পিত

## ‘পিতৰৰ প্ৰথম পত্ৰ’ৰ পাতনি

‘পিতৰৰ প্ৰথম পত্ৰ’ পাঁচনি পিতৰে এই পত্ৰখন লিখিছিল। পিতৰ নিজে কোন আছিল আৰু তেওঁ কালৈ এই পত্ৰ লিখিছে, সেই বিষয়ে এক আভাস দি এই পত্ৰখন আৰম্ভ কৰিছে। পিতৰে সকলো বিদেশী খ্ৰীষ্টিয়ানৰ প্ৰতি এই পত্ৰ লিখিছে, যি লোকসকলক পিতৰে “প্ৰবাসী ব্যক্তি” (1:1, 1:17 আৰু 2:11) নামেৰে আখ্যা দিছে। কিয়নো তেওঁলোক বিভিন্ন দেশত সিচঁৰতি হৈ আছিল আৰু অনেক সময়ত লিখাৰ দৰেই তেওঁৰ পাঠকসকলৰ প্ৰতি এই পত্ৰখনো পঠিয়াইছে। কিছুমান ক্ষেত্ৰত ইফিচীয়াসকললৈ পৌলে লিখা পত্ৰৰ লগত এই পত্ৰৰ মিল থকাৰ কাৰণে, অনেকে বিশ্বাস কৰে যে, ‘প্ৰথম পিতৰ পত্ৰ’খন খ্ৰীষ্টৰ জন্মৰ পৰৱৰ্তীকালৰ প্ৰায় 65 চনৰ সমসাময়িক সময়ত, ইফিচীয়া পত্ৰখনৰ পাছত লিখা হৈছিল। পিতৰে এই পত্ৰ ৰোম নগৰৰ পৰা লিখিছিল। এই নগৰক তেওঁ বেবিলন (5:13) বুলি কৈছে।

এই পত্ৰ লিখাৰ উদ্দেশ্য জনাই পিতৰে প্ৰকাশ কৰিছে যে, “আপোনালোকক উৎসাহিত কৰিবলৈ আৰু সাক্ষ্য দিবলৈ এয়া হৈছে ঈশ্বৰৰ প্ৰকৃত অনুগ্ৰহ” (5:12)। 1 পিতৰ 2:11-3:7, ইফিচীয়া 5:18-6:9 আৰু কলচীয়া 3:18-4:6 পদবোৰৰ মাজত বহুতো সামঞ্জস্য আছে। এই তিনিটা অংশই পাৰিবাৰিক সম্পৰ্ক গঠন আৰু অধিকাৰীসকলৰ প্ৰতি বাধ্য হোৱাৰ বিষয়ে উপদেশ দিছে। দুখ-কষ্ট, তাড়নাৰ সময়ত খ্ৰীষ্টিয়ানসকলক সহনশীল হ’বলৈ পিতৰে উৎসাহিত কৰিছে; কাৰণ অন্তিম কাল ওচৰ (4:1)।

চমু বিৱৰণ: পিতৰে নিজৰ পৰিচয় দিয়া আৰু পাঠকসকলৰ উদ্দেশ্যে তেওঁৰ সম্বোধন (1:1-2) পাছত তেওঁলোক যি পৰিত্ৰাণৰ অংশীদাৰ আৰু তেওঁলোকৰ জীৱনৰ কাৰণে ইয়াৰ অৰ্থ কি (1:3-2:10), সেই পৰিত্ৰাণৰ বাবে পিতৰে ঈশ্বৰক ধন্যবাদ দিছে। তাৰ পাছত বিশ্বাসীসকলে জগতত কেনেদৰে উত্তম জীৱন কটাব লাগে, সেই বিষয়ে উপদেশ দিয়াৰ লগতে স্বামী-ভাৰ্যা, দাস-প্ৰভুৰ মাজৰ বিভিন্ন সম্বন্ধবোৰৰ বিষয়ে লিখিছে (2:11-4:11)। বিশ্বাসীসকলক তাড়নাৰ সময়ত সহনশীল হ’বলৈ আহবান কৰিছে (4:12-5:11)। অৱশেষত তেওঁ চিঠিৰ সামৰণি মাৰে (5:12-14)।

## Chapter 1

### মঙ্গলাচৰণ

**1**মই পিতৰ, যীচু খ্ৰীষ্টৰ পাঁচনি; যি সকল প্ৰবাসী লোক পন্ত, গালাতীয়া, কোপ্পাদকিয়া, এচিয়া আৰু বিথুনিয়া দেশত গোট গোট হৈ আছে, সেই প্ৰবাসী, মনোনীত লোক সকলৰ সমীপলৈ।

**2**এতিয়া পিতৃ ঈশ্বৰৰ পূৰ্বজ্ঞান অনুসাৰে যীচু খ্ৰীষ্টৰ আজ্ঞাধীন হ’বলৈ পবিত্ৰ আত্মাৰ দ্বাৰাই শুচি কৰা হ’ল আৰু তেওঁৰ তেজ ছটিয়াই দিয়া হ’ল। আপোনালোকলৈ অনুগ্ৰহ হওক আৰু আপোনালোকৰ শান্তি বৃদ্ধি হওক।

**3**ঈশ্বৰ আৰু আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পিতৃ ধন্য; তেওঁৰ প্ৰচুৰ দয়া অনুসাৰে মৃত লোকৰ মাজৰ পৰা যীচু খ্ৰীষ্টৰ পুনৰুত্থানৰ দ্বাৰাই জীৱনময়
আশাৰ কাৰণে আৰু অক্ষয়, নিৰ্ম্মল আৰু উত্তৰাধিকাৰৰ কাৰণে আমাক নতুন জন্ম[1] দিলে; **4**সেই উত্তৰাধিকাৰ স্বৰ্গত আপোনালোকৰ
কাৰণে সঞ্চিত আছে; ই চিৰস্থায়ী, কলঙ্কিত নহয়; ই অম্লান। **5**শেষৰ কালত প্ৰকাশিত হ’বলৈ যুগুত হোৱা পৰিত্ৰাণৰ কাৰণে, ঈশ্বৰৰ শক্তিত
আপোনালোকো বিশ্বাসৰ দ্বাৰাই ৰক্ষিত হৈ আছে।

**6**এই কথা ভাবি আপোনালোকে অানন্দ কৰি আছে; তথাপি এতিয়া বিভিন্ন দুখ-কষ্টই আপোনালোকক অলপ সময়ৰ কাৰণে শোকৰ অনুভৱ
দি আছে। **7**অাপোনালোকৰ এই বিশ্বাস সঁচাকৈ পৰীক্ষাসিদ্ধ হ’ব লাগে, কিয়নো আপোনালোকৰ বিশ্বাস সোণতকৈও মূল্যবান। বিশ্বাসৰ পৰীক্ষাত যদি আপোনালোকৰ বিশ্বাস অটল দেখা যায়, তেনেহলে যীচু খ্ৰীষ্টৰ পুনৰাগমনৰ সময়ত অাপোনালোকে কিমান গৌৰৱ, প্ৰশংসা, মৰ্যদা পাব।

**8**তেওঁক আপোনালোকে দেখা নাই, কিন্তু আপোনালোকে তেওঁক প্ৰেম কৰিছে; এতিয়াও আপোনালোকে তেওঁক দেখা নাই কিন্তু আপোনালোকে
তেওঁক বিশ্বাস কৰি আছে আৰু আপোনালোক অনিৰ্বচনীয় উল্লাসত মহা আনন্দিত হৈ গৌৰৱময় হৈছে। **9**এতিয়া আপোনালোকৰ নিজৰ
বিশ্বাসৰ ফল আপোনালোকে গ্ৰহণ কৰিছে, সেয়া আপোনালোকৰ প্ৰাণৰ পৰিত্ৰাণ। **10**যি ভাববাদী সকলে আপোনালোকৰ কাৰণে নিৰূপিত
অনুগ্ৰহৰ বিষয়ে ভাববাণী কৰিছিল, তেখেত সকলে সেই পৰিত্ৰাণৰ বিষয়ে যত্নেৰে বিচাৰ আৰু অনুসন্ধান কৰিছিল।

**11**কেনেকুৱা ধৰণৰ পৰিত্ৰাণ আহিবলগীয়া আছিল, সেই বিষয়ে তেখেত সকলে অনুসন্ধান কৰি জানিব বিচাৰিছিল। এই বিষয়ে খ্ৰীষ্টৰ আত্মাই কোৱা সেই কাল বা সময়ৰ কথাও অনুসন্ধান কৰি জানিবলৈ বিচাৰিছিল। খ্ৰীষ্টৰ প্ৰতি ঘটিবলগীয়া দুখভোগ আৰু পাছত তেওঁলৈ আহিবলগীয়া
মহিমাবোৰৰ বিষয়ে সেই আত্মাই তেখেত সকলক আগতীয়াকৈ কৈছিল।[2] **12**এই ভাববাদী সকললৈ প্ৰকাশিত হ’ল যে, তেখেত সকলে নিজৰ

কাৰণে নহয়, কিন্তু আপোনালোকৰ কাৰণে সেই সকলো বিষয়ৰ পৰিচৰ্যা কৰিছিল; সেই সকলো সম্বাদ, স্বৰ্গৰ পৰা পঠোৱা পবিত্ৰ আত্মাৰে যি সকলে আপোনালোকৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰিছিল, তেওঁলোকৰ দ্বাৰাই সম্প্ৰতি আপোনালোকক দিয়া হ'ল; এই বিষয়বোৰ স্বৰ্গৰ দূত সকলেও প্ৰকাশ হোৱাটো ইচ্ছা কৰে।

## খ্ৰীষ্টীয় স্বভাৱ

**13**এতেকে মনৰ কঁকাল বান্ধক। আপোনালোকৰ চিন্তা শান্ত হওক। যীচু খ্ৰীষ্ট প্ৰকাশিত হোৱা কালত আপোনালোকলৈ যি অনুগ্ৰহ দিয়া হ'ব, সেই
অনুগ্ৰহত সম্পূৰ্ণৰূপে ভাৰসা ৰাখক। **14**আজ্ঞাধীন হোৱা সন্তান সকলৰ যেনে উপযুক্ত, তেনেকৈ আপোনালোক পূৰ্ব্বৰ অজ্ঞান অৱস্থাৰ
অভিলাষৰ অনুৰূপ নহবা। **15**আপোনালোকক আমন্ত্ৰণ কৰা জন যেনে পবিত্ৰ, আপোনালোকো সকলো আচাৰ-ব্যৱহাৰত তেনে পবিত্ৰ হওক।
**16**কিয়নো লিখা আছে,[3] 'তোমালোক পবিত্ৰ হোৱা, কাৰণ মই পবিত্ৰ'। **17**আৰু যি জনে পক্ষপাত নকৰাকৈ[4] প্ৰত্যেক জনৰ কৰ্ম অনুসাৰে
সোধ-বিচাৰ কৰে, তেওঁক যদি পিতৃ বুলি মাতিছে, তেনেহলে আপোনালোকৰ জীৱন-যাপনৰ কাল ভক্তিত ভয়েৰে নিয়াব।

**18**আপোনালোকে জানে যে, আপোনালোকৰ পূৰ্বপুৰুষৰ পৰা চলি অহা অসাৰ আচাৰ-ব্যৱহাৰৰ পৰা, আপোনালোক সোণ, ৰূপ আদিৰ
ক্ষয়ণীয় বস্তুৰ দ্বাৰাই যে মুক্ত হ'ল, এনে নহয়, **19**কিন্তু নিৰ্দোষী আৰু নিষ্কলঙ্ক মেষ-পোৱালি স্বৰূপ[5] খ্ৰীষ্টৰ বহুমূল্য তেজৰ দ্বাৰাইহে মুক্ত হ'ল।

**20**জগত স্থাপনৰ পূৰ্ব্বৰে পৰা তেওঁ মনোনীত আছিল, কিন্তু কালৰ শেষত, তেওঁ আপোনালোকৰ কাৰণে প্ৰকাশিত হ'ল; **21**তেওঁৰ দ্বাৰাই
আপোনালোক, মৃত লোকৰ মাজৰ পৰা তেওঁক তোলোঁতা আৰু গৌৰৱ দিওঁতা ঈশ্বৰৰ বিশ্বাসকাৰী লোক হ'ল; তাতে আপোনালোকৰ বিশ্বাস আৰু দৃঢ় আশা ঈশ্বৰত আছে।

**22**আপোনালোকে সত্যৰ আজ্ঞাধীনতাৰ দ্বাৰা অকপট ভাতৃপ্ৰেমৰ অৰ্থে নিজৰ প্ৰাণ শুচি কৰিবলৈ[6] , পৰস্পৰক হৃদয়েৰে আন্তৰিক প্ৰেম
কৰক। **23**কিয়নো আপোনালোক ক্ষয়ণীয় বীজৰ পৰা নহয়, অক্ষয় বীজৰ পৰা, ঈশ্বৰৰ জীৱনময় আৰু চিৰকাল স্থায়ী যি বাক্য, সেই বাক্যৰ দ্বাৰাই নতুন জন্ম পোৱা হৈছে।[7]

**24**কাৰণ

মনুষ্য মাত্ৰে তৃণ সদৃশ, আৰু তাৰ সকলো গৌৰৱ তৃণৰ ফুল সদৃশ।

তৃণ শুকাই আৰু ফুলো সৰে;

**25**কিন্তু প্ৰভুৰ বাক্য চিৰকাল থাকে;[8]

যি বাক্য আপোনালোকৰ আগত প্ৰচাৰ কৰা হ'ল, এয়ে সেই শুভবাৰ্তাৰ বাক্য।

---

1:3 [1]
1:11 [2]
1:16 [3]
1:17 [4]
1:19 [5]
1:22 [6]
1:23 [7]
1:25 [8]

# ১ অধ্যায় 2

**1**এতেকে সকলো মন্দ, প্ৰৱঞ্চনা, কপটতা, হিংসা আৰু পৰচৰ্চা, দূৰ কৰক। **2**নতুনকৈ জন্ম হোৱা শিশু সকলৰ দৰে, মিহলি নোহোৱা শুদ্ধ
আত্মিক গাখীৰলৈ অতিশয় হাবিয়াহ কৰক, আৰু তাৰ দ্বাৰাই পৰিত্ৰাণৰ অৰ্থে আপোনালোকে বৃদ্ধি হওক,[1] **3**যদিহে আপোনালোকে প্ৰভু
স্নেহশীল বুলি আস্বাদ পালে।

**4**তেওঁৰ ওচৰলৈ আহক, যি জন জীৱনময় শিল মানুহৰ দ্বাৰাই অগ্ৰাহ্য হ'ল, কিন্তু তেওঁ ঈশ্বৰৰ দ্বাৰাই মনোনীত আৰু বহুমূলীয়া হ'ল।
**5**আপোনালোকে নিজেও জীৱন্ত শিলৰ দৰে গঁথা হৈ, যীচু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰৰ পৰমগ্ৰাহ্য আত্মিক যজ্ঞ[2] উৎসৰ্গ কৰিবলৈ, পবিত্ৰ পুৰোহিত
সমূহ হ'বৰ অৰ্থে এক আত্মিক ঘৰ[3] হৈ উঠিছে।

**6**কিয়নো ধৰ্মশাস্ত্ৰৰ বচনত এইদৰে লিখা আছে,[4]

চোৱা, মই চিয়োনত মনোনীত আৰু বহুমূল্য চুকৰ এক প্ৰধান শিল স্থাপন কৰোঁ;

যি জনে তেওঁত বিশ্বাস কৰে, তেওঁ কোনোমতে লাজত নপৰিব।

7এতেকে বিশ্বাস কৰা যি আপোনালোক, আপোনালোকৰ কাৰণেই সেই শিল বহুমূল্যৰ; কিন্তু,

অবিশ্বাস কৰা সকলৰ কাৰণে, ঘৰ-সজীয়া সকলে যি শিল অগ্ৰাহ্য কৰিলে,

সেয়ে চুকৰ প্ৰধান শিল হ'ল,

8আৰু,

'উজুটি খুউৱা শিল,

আৰু বিঘ্নজনক শিল হ'ল'।

তেওঁলোক বিঘ্নজনক, তেওঁলোকে বাক্য অমান্য কৰাত উজুটি খায়, তাৰ কাৰণে তেওঁলোক নিযুক্তও হৈছিল।

9কিন্তু আপোনালোক মনোনীত বংশ, ৰাজকীয় পুৰোহিত সমূহ, পবিত্ৰ জাতি, আৰু ঈশ্বৰৰ নিজ অধিকাৰৰ অৰ্থে এক বিশেষ লোক হৈছে; এইদৰে আপোনালোকক আন্ধাৰৰ পৰা তেওঁৰ আচৰিত পোহৰলৈ আমন্ত্ৰণ কৰিলে, যাতে আপোনালোকে তেওঁৰ আচৰিত কৰ্মবোৰ প্ৰকাশ কৰে। এই কাৰণে,

10'আগেয়ে আপোনালোক প্ৰজা নাছিল,

কিন্তু এতিয়া ঈশ্বৰৰ প্ৰজা হ'ল;

দয়াৰ পাত্ৰ নাছিল,

কিন্তু এতিয়া দয়াৰ পাত্ৰ হ'ল'।[5]

## নানা বিধ আশ্বাসবাক্য

11হে প্ৰিয়সকল, এই জগতত আপোনালোক বিদেশী আৰু প্ৰবাসী; সেয়েহে মই আপোনালোকক মিনতি কৰোঁ যে, প্ৰাণৰ বিৰুদ্ধে যুদ্ধ কৰা
মাংসিক অভিলাষৰ পৰা পৃথকে থাকক।[6] 12আপোনালোকক অনা-ইহুদী সকলে যি বিষয়ত দুষ্কৰ্ম্মকাৰী বুলি বিৰোধী কথা কয়, সেই বিষয়ত তেওঁলোকে আপোনালোকৰ সৎকৰ্ম্ম দেখি[7] কৃপাদৃষ্টিৰ দিনা যেন ঈশ্বৰৰ স্তুতি কৰে, তাৰ কাৰণে তেওঁলোকৰ মাজত আপোনালোকৰ আচাৰ-ব্যৱহাৰ উত্তম হওক।

13আপোনালোকে প্ৰভুৰ কাৰণে মনুষ্যৰ দ্বাৰাই স্থাপিত সকলো ৰীতিৰ বশীভূত হওক;[8] যেনেদৰে ৰজা সকলোৰে ওপৰ, 14আৰু দেশাধিপতি
সকলক, দুষ্কৰ্ম্মকাৰী সকলৰ প্ৰতিকাৰৰ অৰ্থে আৰু সৎকৰ্ম্মকাৰী সকলৰ প্ৰশংসাৰ অৰ্থে তেওঁৰ দ্বাৰাই পঠোৱা হৈছে বুলি, তেওঁলোকৰ বশীভূত
হওক। 15আপোনালোকে সৎ কৰ্ম কৰি কৰি যেন নিৰ্ব্বোধ লোক সকলৰ অজ্ঞানতাক নিৰুত্তৰ কৰে, ঈশ্বৰৰ এই ইচ্ছা। 16আপোনালোকে স্বাধীন
লোকৰ দৰে হয়; কিন্তু সেই স্বাধীনতাক[9] দুষ্টতাৰ ঢাকনি নকৰিব, বৰং ঈশ্বৰৰ দাস সকলৰ দৰে জীৱন-যাপন কৰক। 17সকলোকে সমাদৰ
কৰক। ভাইমাত্ৰকে প্ৰেম কৰক। ঈশ্বৰলৈ ভয় ৰাখক। ৰজাক সমাদৰ কৰক।

18হে দাস সকল, তোমালোক সম্পূৰ্ণ ভয়েৰে নিজ নিজ প্ৰভুৰ বশীভূত হোৱা; কেৱল উত্তম আৰু ক্ষান্ত স্বভাৱী সকলৰ নহয়, কিন্তু কুটিল-মনৰ
লোক সকলৰো বশীভূত হোৱা। 19কিয়নো কোনোৱে যদি ঈশ্বৰৰ উদ্দেশ্যে বিবেকৰ কাৰণে অন্যায় ভোগ কৰি দুখ সহন কৰে, তেনেহলে সেয়েই
প্ৰশংসনীয়। 20কাৰণ পাপ কৰি ভুকু খাই যদি সহন কৰা, তেনেহলে তাত কি প্ৰশংসা আছে? কিন্তু সৎ কৰ্ম কৰি দুখভোগ কৰি যদি সহন কৰা, তেনেহলে সেয়েহে ঈশ্বৰৰ আগত গ্ৰহণীয়।

21কাৰণ তাৰ বাবেই তোমালোক আমন্ত্ৰিত হ'লা; কিয়নো তোমালোক যেন খ্ৰীষ্টৰ খোজৰ অনুগামী হোৱা, এই কাৰণে তেওঁ তোমালোকৰ অৰ্থে দুখভোগ কৰি, তোমালোকৰ কাৰণে এটি আৰ্হি থৈ গ'ল।

22তেওঁ কোনো পাপ নকৰিলে;[10]

তেওঁৰ মুখত কোনো ছলনা পোৱা নগ'ল;

23তেওঁ নিন্দিত হলেও কাকো নিন্দা নকৰিলে;[11] দুখ পোৱা কালত, ডাবি-ধমকি নিদিলে, কিন্তু ন্যায়ৰূপে বিচাৰ কৰোঁতা জনৰ ওপৰত ভাৰ দিলে।

[24]তাতে আমি যেন পাপৰ সম্বন্ধে মৰি, ধাৰ্মিকতাৰ সম্বন্ধে জীয়াই থাকো,[12] আৰু এই কাৰণে তেওঁ নিজ শৰীৰত আমাৰ ভাৰ বৈ কাঠ(ক্রুচ)ৰ ওপৰলৈ নিলে। তেওঁৰ কোব খোৱা সাঁচৰ দ্বাৰাই আপোনালোক সুস্থ হ’ল। [25]আপোনালোকে সকলোৱে ভ্রান্ত মেষৰ নিচিনাকৈ ভ্রমি ফুৰিছিল; কিন্তু এতিয়া আপোনালোকৰ প্ৰাণৰ ৰক্ষক আৰু অধ্যক্ষৰ ওচৰলৈ আপোনালোক উভতি আহিছে।

---

2:2 [1]
2:5 [2]
2:5 [3]
2:6 [4]
2:10 [5]
2:11 [6]
2:12 [7]
2:13 [8]
2:16 [9]
2:22 [10]
2:23 [11]
2:24 [12]

## ২ অধ্যায় 3

[1]সেইদৰে হে ভাৰ্যা সকল, আপোনালোক নিজ নিজ স্বামীৰ বশীভূত হওক; যদিও তেখেত সকলৰ কোনো কোনোৱে ঈশ্বৰৰ বাক্য অমান্য কৰে, তথাপি নিজ নিজ ভাৰ্য্যাৰ আচাৰ-ব্যৱহাৰৰ দ্বাৰাই, [2]আৰু আপোনালোকৰ ভয়যুক্ত নিৰ্মল আচাৰ-ব্যৱহাৰ দেখি, তাৰ দ্বাৰাই যেন বিনাবাক্যেৰে তেওঁলোকক পোৱা যায়, সেই বাবে স্বামীসকলৰ বশীভূত হওক।

[3]কেশ-বেশ আৰু সোণৰ অলঙ্কাৰ পিন্ধা বা নানা আকৰ্ষণীয় বস্ত্ৰ পৰিধান; এনে বাহ্যিক ভূষণ আপোনালোকৰ নহওক। [4]কিন্তু আপোনালোকৰ হৃদয়ত নিৰ্দোষীৰূপে চিৰস্থায়ী হৈ থকা শান্ত আৰু নম্ৰ আত্মা আপোনালোকৰ ভূষণ হোৱা উচিত, এয়াই ঈশ্বৰৰ দৃষ্টিত মহা মূল্যৱান।

[5]কিয়নো আগৰ কালত যি পবিত্ৰ তিৰোতা সকলে ঈশ্বৰত ভাৰসা ৰাখিছিল, তেখেত সকলেও নিজ নিজ স্বামীৰ বশীভূত হৈ, সেইদৰে নিজক বিভূষিত কৰিলে; [6]সেইদৰে চাৰাই অব্ৰাহামৰ আজ্ঞা মানিলে আৰু তেওঁৰ প্ৰভু বুলি মাতিলে। এতিয়া আপোনালোকেও যদি উচিত কৰ্ম কৰে আৰু আপোনালোকৰ কোনো সমস্যাৰ বাবে যদি ভয় নাথাকে, তেনেহলে আপোনালোক তেওঁৰ জীয়ৰী।

[7]সেইদৰে হে স্বামী সকল, আপোনালোকতকৈ স্ত্ৰী সকল দুৰ্বল সহকাৰিণী, জীৱনৰূপ অনুগ্ৰহ গ্ৰহন কৰোতা উত্তৰাধিকাৰী বুলি স্বীকৃতি দিয়ক, তাতে আপোনালোকৰ প্ৰাৰ্থনাত যেন বাধা নজন্মে, এই কাৰণে তেখেত সকলৰ সৈতে জ্ঞানমতে সহবাস কৰি তেখেত সকলক সমাদৰ কৰক।

[8]অৱশেষত কওঁ, আপোনালোক সকলোৱে একে চিত্তৰ, আনৰ দুখত দূঃখী, স্নেহশীল, প্ৰেম কৰোঁতা আৰু নম্ৰ হওক। [9]অপকাৰৰ সলনি অপকাৰ, আৰু তিৰস্কাৰৰ সলনি তিৰস্কাৰ নকৰক, বিৰোধিতাত পুনৰায় আশীৰ্বাদ কৰক, কিয়নো ইয়াৰ বাবে আপোনালোক আমন্ত্ৰিত, আপোনালোক ক্ষমতাপূৰ্ণ আশীৰ্বাদৰ উত্তৰাধিকাৰ পোৱা লোক।[1] কিয়নো আশীৰ্বাদৰ অধিকাৰী হ’বৰ কাৰণে আপোনালোক আমন্ত্ৰিত হ’ল।

[10]“কাৰণ,[2] যি জনে জীৱনক প্ৰেম কৰিবলৈ, আৰু মঙ্গলৰ দিন চাবলৈ ইচ্ছা কৰে, তেখেতে কু-কথাৰ পৰা নিজৰ জিভা, আৰু ছলনা-বাক্যৰ পৰা নিজৰ ওঁঠ ৰাখক;

[11]কু-পথৰ পৰা ঘূৰক আৰু ভাল কৰ্ম কৰক। শান্তি বিচাৰক আৰু তাতে লাগি থাকক।

[12]কিয়নো প্ৰভুৰ চকুৱে ধাৰ্মিক সকলক দৃষ্টি কৰে, আৰু তেওঁৰ কাণে তেখেত সকলৰ প্ৰাৰ্থনা শুনে। কিন্তু যি সকল কু-কৰ্মী, তেখেত সকললৈ প্ৰভুৰ মুখ বিৰোধী।”

[13]যি ভাল, তালৈ যদি আপোনালোক উৎসাহী হয়, তেনেহলে আপোনালোকক কোনে ক্ষতি কৰিব? [14]কিন্তু ধাৰ্মিকতাৰ কাৰণে যদিও দুখভোগ কৰিব লগা হয়, তথাপি আপোনালোক ধন্য; কিন্তু তেওঁলোকৰ ভয়ত ভয়াতুৰ নহ’ব[3] আৰু ব্যাকুল নহ’ব।

[15]ইয়াৰ পৰিৱৰ্তে খ্ৰীষ্টক প্ৰভু হিচাপে আপোনালোকৰ হৃদয়ত পবিত্ৰ ৰূপে মানিব; যি কোনোৱে আপোনালোকৰ অন্তৰত থকা আশাৰ বিষয়ে বিচাৰ লয়, তেওঁক আপোনালোকে নিজৰ পক্ষে উত্তৰ দিবলৈ সষ্টম থাকিব, কিন্তু নম্ৰতা আৰু সন্মানেৰে সৈতে এইবোৰ কৰিব। [16]যি সকলে খ্ৰীষ্টত থাকি কৰা আপোনালোকৰ সদাচৰণৰ নিন্দা কৰে, আপোনালোক যি বিষয়ত নিন্দিত হয়, সেই বিষয়ত তেওঁলোক যেন লাজত পৰিব, এই কাৰণে আপোনালোকে উত্তম বিবেক ৰাখিব। [17]কিয়নো কুকৰ্ম্ম কৰি দুখভোগ কৰাতকৈ, ঈশ্বৰৰ যদি এনে ইচ্ছা হয়, তেনেহলে সৎ কৰ্ম কৰি দুখভোগ কৰা বেছি ভাল।

18কিয়নো খ্ৰীষ্টয়ো সেই পাপৰ সম্বন্ধে এবাৰ দূখ-ভোগ কৰিলে। আমাক ঈশ্বৰৰ ওচৰলৈ নিবলৈ, অধাৰ্মিক সকলৰ কাৰণে ধাৰ্মিক জনে, অৰ্থাৎ
খ্ৰীষ্টে পাপবোৰৰ কাৰণে কেৱল এবাৰ দুখভোগ কৰিলে; তেওঁ মাংসত হত হ'ল, কিন্তু আত্মাত হ'লে পুনৰ্জীৱিত হ'ল; 19সেই আত্মাৰে তেওঁ গ'ল
আৰু এতিয়া কয়দত (কাৰাগাৰত) থকা আত্মাবোৰৰ ওচৰত গৈ প্ৰচাৰ কৰিলে। 20সেইবোৰ নোহৰ সময়ত ঈশ্বৰৰ আবাধ্য আছিল। নোহৰ
জাহাজ তৈয়াৰ কৰাৰ সময়ত ঈশ্বৰ সহিষ্ণু হৈ তেওঁলোকৰ বাবে অপেক্ষা কৰিছিল। ঈশ্বৰে অলপ মানুহক ৰক্ষা কৰিলে, তাতে আঠ টা আত্মা
সেই জলৰ পৰা উদ্ধাৰ পালে।

21সেই জল বাপ্তিস্মৰ প্ৰতীক, যাৰ যোগে আপোনালোকে ৰক্ষা পালে। সেই বাপ্তিস্মৰ যোগেদি শৰীৰৰ ময়লা আতৰোৱা নহয়, কিন্তু ঈশ্বৰৰ
ওচৰত সৎ বিবেক বজায় ৰখাৰ কাৰণে এক আবেদন। যীচু খ্ৰীষ্টৰ পুনৰুত্থানৰ যোগেদিহে আপোনালোকে ৰক্ষা পালে। 22তেওঁ স্বৰ্গলৈ গ'ল।
তেওঁ ঈশ্বৰৰ সোঁ-হাতে বহিল। স্বৰ্গৰ দূত সকল, বিধিসংগত শাসন, আৰু পৰাক্ৰম, অৱশ্যে তেওঁলৈ সমৰ্পন কৰক।

---

3:9 [1]
3:10 [2]
3:14 [3]

## ৩ অধ্যায় 4

### শুচিতা, সংযম আৰু দুখভোগ সম্বন্ধীয় কথা

1এতেকে, খ্ৰীষ্টই মাংসত দুখভোগ কৰাৰ কাৰণে, নিজকে সেই একে অভিপ্ৰায়েৰে সুসজ্জিত কৰক। যি জনে মাংসত দুখভোগ কৰে, সেই জনে
পাপৰ পৰা ক্ষান্ত হয়। 2এনে ব্যক্তিয়ে মাংসিক অভিলাষত জীৱন-যাপন নকৰে। কিন্তু ঈশ্বৰৰ ইচ্ছাৰ দৰে মানৱ জীৱনৰ অৱশিষ্ট সময় কটায়।

3যিহেতু অনা-ইহুদী সকলে কৰি অহা, ইন্দ্ৰিয়পৰায়ণতা, আবেগ, সুৰাসক্ত, পানাৰ্থক আমোদ-প্ৰমোদ, ঘিণলগীয়া মূৰ্তিপূজা-এইবোৰত যি সময়
পাৰ কৰি আহিলে, সেয়াই যথেষ্ট। 4তাতে আপোনালোকে তেওঁলোকৰ সৈতে সেইবোৰ কৰ্ম নকৰা দেখি তেওঁলোকে আচৰিত মানি
আপোনালোকক নিন্দা কৰে। 5কিন্তু যি জন জীৱিত আৰু মৃত লোক সকলৰ সোধ-বিচাৰ কৰিবলৈ যুগুত আছে, তেওঁৰ আগত তেওঁলোকে
হিচাব দিব লাগিব। 6কিয়নো যি সকল মৰিল, তেওঁলোকৰ আগত এই অভিপ্ৰায়েৰে শুভবাৰ্তা প্ৰচাৰ কৰা হৈছিল, যদিও তেওঁলোকৰ বিচাৰ
যিহেতু মানৱ শৰীৰত হ'ব, আত্মাত তেওঁলোক সেই অনুসাৰে ঈশ্বৰলৈ জীৱিত।

7কিন্তু সকলোৰে শেষ ওচৰ চাপিছে; এতেকে প্ৰাৰ্থনাৰ কাৰণে সুবোধ আৰু সচেতন হৈ থাকক;[1] 8বিশেষকৈ আপোনালোকৰ মাজত পৰস্পৰে
আগ্ৰহযুক্ত প্ৰেম ৰাখক; কিয়নো প্ৰেমে পাপ সমূহ ঢাকে। 9আপত্তি নকৰাকৈ ইজন-সিজনৰ প্ৰতি অতিথিপৰায়ণ হওক।

10আপোনালোকে যেনেকৈ অনুগ্ৰহৰ বৰ পালে,[2] তেনেকৈ ঈশ্বৰৰ বহুবিধ অনুগ্ৰহৰূপ ধনৰ উত্তম তত্বাৱধায়কৰদৰে, আপোনালোকে
পৰস্পৰক সেৱা শুশ্ৰূষা কৰক; 11যদি কোনোৱে কথা কয়, তেনেহলে ঈশ্বৰৰ বাক্যৰদৰে কওক; যদি কোনোৱে সেৱা শুশ্ৰূষা কৰে, তেনেহলে
ঈশ্বৰে দিয়া শক্তি অনুসাৰে কৰক; এইদৰে সকলো বিষয়তে যীচু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰ মহিমান্বিত হয়; তেওঁৰেই মহিমা আৰু পৰাক্ৰম চিৰকাল
হওক। আমেন।

12হে প্ৰিয় লোক সকল, আপোনালোকক পৰীক্ষা কৰিবৰ কাৰণে আপোনালোকৰ মাজত যি অগ্নিময় কষ্টৰ জুই জ্বলিছে,[3] এইবোৰত
আপোনালোকে বিস্মিত নহ'ব, আৰু ইয়াক কোনো অদ্ভুত বিষয় বুলিয়ো মনত নাভাবিব। 13কিন্তু খ্ৰীষ্টৰ দুখভোগৰ সহভাগী হোৱা বাবে
আপোনালোকে আনন্দ কৰক,[4] ইয়াৰ উপৰি তেওঁৰ গৌৰৱ প্ৰকাশিত হোৱা সময়ত আপোনালোকে অধিক আনন্দ আৰু উল্লাস কৰিব পাৰিব।
14আপোনালোক ধন্য, যদি আপোনালোকে খ্ৰীষ্টৰ নামৰ কাৰণে নিন্দিত হয়; কাৰণ ঈশ্বৰৰ আত্মা আৰু গৌৰৱৰ আত্মা আপোনালোকৰ
ওপৰত স্থিৰ হৈ আছে।

15কিন্তু আপোনালোকৰ মাজত কোনেও যেন নৰবধী, চোৰ, কুকৰ্ম্মকাৰী বা পৰচৰ্চ্চাকাৰী বুলি দুখভোগ নকৰক; 16যদি কোনো এজনে
খ্ৰীষ্টিয়ান হোৱা কাৰণে দুখভোগ কৰে, তেনেহলে লজ্জিত নহওক; কিন্তু সেই নামেৰে ঈশ্বৰক মহিমান্বিত কৰক।

17কিয়নো ঈশ্বৰৰ পৰিয়াল বৰ্গৰ সৈতে সোধ-বিচাৰৰ সময় আৰম্ভ হৈছে; আৰু সেয়ে যদি প্ৰথমে আমাৰ সৈতে আৰম্ভ হয়, তেনেহলে ঈশ্বৰৰ
শুভবাৰ্তা নমনা সকলৰ শেষগতি কি হ'ব? 18আৰু যদি

ধাৰ্মিক লোকেই কোনো প্ৰকাৰেহে পৰিত্ৰাণ পায়,

তেনেহলে ভক্তিহীন আৰু পাপিষ্ঠ লোকে ক'ত মুখ দেখুৱাব?

19এই কাৰণে যি সকল লোকে ঈশ্বৰৰ ইচ্ছা অনুসাৰে দুখভোগ কৰে, সেই লোক সকলে সৎ কৰ্ম কৰি, নিজ নিজ প্ৰাণক বিশ্বাসী সৃষ্টিকৰ্ত্তাৰ
হাতত সমৰ্পণ কৰক।

4:7 [1]
4:10 [2]
4:12 [3]
4:13 [4]

# ৪ অধ্যায় 5

## নম্ৰ হোৱা আৰু জাগি থকাৰ আৱশ্যকতা

**1**মই আপোনালোকৰ মাজৰ পৰিচাৰক সকলক দৃঢ় আহ্বান জনাও যে, ময়ো সহকৰ্মী সকলৰ এজন পৰিচাৰক আৰু খ্ৰীষ্টৰ দুখভোগৰ এজন সাক্ষী; প্ৰকাশিত হ'বলৈ উদ্যত হোৱা গৌৰৱৰ সহভাগী।[1] **2**গতিকে, মই আপোনালোকক দৃঢ় আহ্বান কৰোঁ, হে পৰিচাৰক সকল, ঈশ্বৰৰ মেষৰ জাকক আপোনালোকে যত্ন লওঁক। তেওঁলোকক প্ৰতিপালন কৰক, অৱশ্যে আৱশ্যকতাৰ কাৰণে নহয়, কিন্তু ঈশ্বৰৰ ইচ্ছা অনুসাৰে কৰক। তেওঁলোকৰ যত্ন, অসৎ ধনৰ বাবে নকৰিব কিন্তু স্ব-ইচ্ছাৰে কৰক। **3**যি সকল লোকৰ ওপৰত আপোনালোক তত্ত্বাৱধায়ক, তেওঁলোকৰ ওপৰত প্ৰভুত্বৰে অধিকাৰ নকৰিব; কিন্তু জাকৰ আৰ্হি হৈ[2] তেওঁলোকৰ তত্বাৱধান কৰক; **4**যেতিয়া প্ৰধান ৰক্ষক প্ৰকাশিত হ'ব, তেতিয়া আপোনালোকে ঐশ্বৰ্যৰূপ অম্লান (অম্লান মহিমাময়) কিৰীটি[3] পাব।

**5**সেইদৰে হে ডেকা লোক সকল, আপোনালোক পৰিচাৰক সকলৰ বশীভূত হওক; আপোনালোক সকলোৱে নম্ৰতাৰে নিজকে ভালদৰে মেৰিয়াই বান্ধি লওঁক আৰু ইজনে সিজনক সেৱা কৰক; যিহেতু,

ঈশ্বৰে অহংকাৰী সকলক প্ৰতিৰোধ কৰে,

কিন্তু নম্ৰ সকলক অনুগ্ৰহ দান কৰে।[4]

**6**সেই কাৰণে ঈশ্বৰৰ পৰাক্ৰমী হাতৰ অধীনত নিজকে নম্ৰ কৰক, তাতে উপযুক্ত সময়ত ঈশ্বৰে আপোনালোকক উন্নত কৰিব।
**7**আপোনালোকৰ সকলো চিন্তাৰ ভাৰ তেওঁৰ ওপৰত পেলাই দিয়ক;[5] কিয়নো আপোনালোকৰ কাৰণে তেওঁ চিন্তা কৰে।

**8**সচেতন হওক, পৰ দি থাকক। আপোনালোকৰ শত্ৰু চয়তানে গুজৰি থকা সিংহৰ নিচিনাকৈ যি কোনো এজনকে গ্ৰাস কৰিবলৈ গোপনে উপায় বিচাৰি ফুৰিছে।[6] **9**তাৰ বিৰুদ্ধে থিয় হওক। আপোনালোকৰ বিশ্বাস দৃঢ় কৰি ৰাখক। এইটো জানিব যে, গোটেই জগতত থকা আপোনালোকৰ ভাতৃ সকলেও একে দুখভোগ কৰি আছে।

**10**আপোনালোকে অলপ সময় দুখভোগ কৰাৰ পাছত, সকলো অনুগ্ৰহৰ ঈশ্বৰ, যি জনে অনন্ত গৌৰৱৰ বাবে আপোনালোকক খ্ৰীষ্টত আমন্ত্ৰণ কৰিছে, তেৱেঁই আপোনালোকক সিদ্ধ, সুস্থিৰ আৰু বলৱন্ত কৰিব। **11**তেওঁৰ পৰাক্ৰম চিৰকাল হওক। আমেন।

**12**মই চীলক বিশ্বাসী ভাই হিচাপে গণ্য কৰোঁ আৰু তেওঁৰ যোগেদি সংক্ষেপে এই পত্ৰ আপোনালোকলৈ লিখিলোঁ। আপোনালোকক প্ৰবোধ দিলোঁ আৰু এয়ে ঈশ্বৰৰ প্ৰকৃত অনুগ্ৰহ বুলি সাক্ষ্যও দিলোঁ। মই আপোনালোকক দৃঢ় আহ্বান কৰোঁ আৰু ঈশ্বৰৰ প্ৰকৃত অনুগ্ৰহৰ সাক্ষ্য দান কৰি, এই পত্ৰ লিখিলোঁ। ইয়াতে আপোনালোক দৃঢ় হৈ থাকক। **13**আপোনালোকৰ সৈতে মনোনীত হোৱা বাবিল দেশত থকা মণ্ডলীয়ে আৰু মোৰ পুত্ৰ মাৰ্কে আপোনালোকক মঙ্গলবাদ জনাইছে। **14**প্ৰেমৰ চুমাৰে আপোনালোকে পৰস্পৰক মঙ্গলবাদ দিয়ক। খ্ৰীষ্টত যি সকল আছে, আপোনালোক সকলোৰে শান্তি হওক।

5:1 [1]
5:3 [2]
5:4 [3]
5:5 [4]
5:7 [5]
5:8 [6]

# অবদানকাৰী

## Assamese Unlocked Literal Bible অবদানকাৰী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকাৰী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community